# Video Conference of senior health professionals of SAARC countries on the fight against Covid-19

March 27, 2020

---

# চাৰ্ক দেশসমূহৰ জ্যেষ্ঠ স্বাস্থ্য বিশেষজ্ঞসকলৰ মাজত ক'ভিড-১৯ ৰোগ প্ৰতিৰোধৰ হেতু ভিডিঅ' কনফাৰেন্স

মাৰ্চ 27, 2020

১৫ মাৰ্চ, ২০২০ তাৰিখে ক'ভিড-১৯ ৰোগ প্ৰতিহত কৰাৰ উদ্দেশ্যে চাৰ্ক দেশীয় নেতৃত্ববৰ্গসমূহৰ মাজত আয়োজন কৰা ভিডিঅ' কনফাৰেন্সত প্ৰধানমন্ত্ৰীদেৱে ঘোষণা কৰে যে সকলো চাৰ্ক সদস্য দেশে ক'ভিড-১৯ মহামাৰীয়ে আগবঢ়োৱা অপ্ৰতিৰোধ্য প্ৰত্যাহ্বানৰ বিৰুদ্ধে একতাৰে যুঁজ দিবৰ বাবে এক ভিডিঅ' কনফাৰেন্সৰ যোগেৰে একত্ৰিত হ'ব পাৰে।

এই ঘোষণাৰ ৰূপায়নস্বৰূপে, চাৰ্ক দেশসমূহক প্ৰতিনিধিত্ব কৰা স্বাস্থ্য সেৱাৰ সঞ্চালক প্ৰধান স্তৰৰ স্বাস্থ্য বিশেষজ্ঞসকলৰ মাজত ২৬ মাৰ্চ, ২০২০ তাৰিখে এক ভিডিঅ' কনফাৰেন্স অনুষ্ঠিত হয়। ভাৰতৰ স্বাস্থ্য সেৱাৰ সঞ্চালক প্ৰধানসকলৰ দ্বাৰা অধ্যক্ষতা কৰা এই এই কনফাৰেন্সত সকলোপক্ষৰে সক্ৰিয় আৰু উদ্দেশ্যপ্ৰণোদিত অংশগ্ৰহণত ক'ভিড-১৯ৰ সৈতে জড়িত বিস্তৃত বিষয়ৰ ওপৰত আলোচনা কৰা হয়।

ভাৰতৰ পক্ষৰ পৰা ক'ভিড-১৯ মহামাৰীৰ প্ৰাদুৰ্ভাৱত ভাৰতে বিভিন্ন ক্ষেত্ৰ যেনে ৰোগ নিৰীক্ষণ, সংস্পৰ্শত অহা লোকৰ অনুসন্ধান, ভ্ৰমণত বাধা আৰু স্থান পৰিত্যাগ, সংশয় মূল্যায়ন, ৰোগ নিৰ্ণয়, পৃথকীকৰণ আৰু কোৱাৰেন্টিন পদ্ধতি আৰু প্ৰবন্ধ, ৰোগীৰ চিকিৎসাৰ প্ৰবন্ধ, চিকিৎসাৰ বিকল্পসমূহ আৰু প্ৰট'কল আৰু স্বাস্থ্যকৰ্মীৰ সুৰক্ষা আদিত গ্ৰহণ কৰা প্ৰতিক্ৰিয়াসমূহ বিৱৰি এক বিস্তীৰ্ণ প্ৰতিবেদন উপস্থাপিত কৰে। একেদৰে, আন সকলো চাৰ্ক দেশে ক'ভিড-১৯ ৰোগৰ প্ৰত্যাহ্বানৰ সৈতে যুঁজ দিয়াৰ ক্ষেত্ৰত হোৱা অভিজ্ঞতাৰ কথা জনাই। সকলোবোৰ দেশে তেওঁলোকৰ নিৰ্দিষ্ট দুৰ্বলতাসমূহ, ক্ষমতা, শ্ৰেষ্ঠ অনুশীলনসমূহ, সমল আৰু জটিল ক্ৰিয়া-কলাপৰ মাজৰ ব্যৱধান, বেচৰকাৰী খণ্ডৰ অংশগ্ৰহণ আৰু প্ৰস্তুতিৰ স্তৰসমূহৰ বিষয়ে উল্লেখ কৰে। সমূহীয়া প্ৰবৃত্তি আৰু অংশীদাৰিত্বক যিকোনো ক'ভিড-১৯ পৰিকল্পনাৰ এক গুৰুত্বপূৰ্ণ উপাদানৰূপে চিহ্নিত কৰা হয় যিয়ে চাৰ্ক ক্ষেত্ৰসমূহত চৰকাৰে গ্ৰহণ কৰা জৰুৰীকালীন ব্যৱস্থাত সহায় কৰে।

ভাৰতে সকলো চাৰ্ক দেশৰ বাবে এক উমৈহতীয়া বৈদ্যুতিন মঞ্চৰ প্ৰস্তাৱ আগবঢ়াই য'ত কৰ'ণা ভাইৰাছ মহামাৰী প্ৰতিৰোধ সম্পৰ্কীয় বিভিন্ন তথ্য, জ্ঞান, অভিজ্ঞতা আৰু শ্ৰেষ্ঠ অনুশীলনসমূহ ভাগ-বিতৰণ কৰা হ'ব। এই কথাও জনোৱা হয় যে এই মঞ্চ গঠনৰ বাবে যথেষ্ট অগ্ৰগতি লাভ কৰা হৈছে যিয়ে পৰৱৰ্তী সময়ত জৰুৰীকালীন সেৱা প্ৰদানকাৰীৰ বাবে অনলাইন প্ৰশিক্ষণ, জ্ঞান বিতৰণত অংশীদাৰিত্ব, ৰোগ নিৰীক্ষণত হোৱা অভিজ্ঞতাৰ ভাগ-বিতৰণ যেনে অনুৰূপ ছফ্টৱেৰ আৰু নতুন ৰোগ-নিৰ্ণয়ৰ বাবে যুটীয়া গৱেষণা আৰু মহামাৰীৰ বাবে চিকিৎসা আদিৰ বিভিন্ন আলোচনা আৰু কাৰ্য সম্পাদন কৰাত এক বহুমুখী মাধ্যম ৰূপে কাম কৰিব পাৰে। ভাৰতীয় পক্ষই প্ৰস্তাৱ দিয়ে যে

এই বৈদ্যুতিন মঞ্চ সম্পূৰ্ণৰূপে কাৰ্যকৰী হোৱাৰ লৈকে, সকলো চাৰ্ক দেশৰ স্বাস্থ্যসেৱাৰ সৈতে জড়িত বিশেষজ্ঞসকলৰ ই-মেইল/হোৱাটছএপ যোগেদি এক নেটৱৰ্ক গঠন কৰিব পাৰি যাৰ দ্বাৰা চাৰ্ক দেশসমূহে প্ৰকৃত সময়ত সকলো প্ৰাসঙ্গিক তথ্য বিনিময় কৰিবলৈ সক্ষম হ'ব।

সকলো চাৰ্ক দেশৰ উদ্যমী আৰু গঠনমূলক অংশীদাৰিত্বই এই ভৌগোলিক ক্ষেত্ৰত কৰ'ণা মহামাৰীয়ে সূচনা কৰা প্ৰত্যাহ্বান নেওচিবলৈ একত্ৰিত হৈ প্ৰদৰ্শন কৰা দায়বদ্ধতাকে সূচায়।

**নতুন দিল্লী**
**২৭ মাৰ্চ, ২০২০**

DISCLAIMER : This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.